**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-12-2025
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ছটা জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত দাখিল কৰা প্ৰতিবেদনক লৈ জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে আজি দিছপুৰৰ জনতা ভৱনত মন্ত্ৰীগোটৰ অধ্যক্ষ ডাঃ ৰণোজ পেগুৰ সৈতে আলোচনাত মিলিত হয়। পৰৱৰ্তী পৰ্যায়ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সৈতে আলোচনাৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হোৱাৰ সম্ভাৱনা সম্পৰ্কেও আজিৰ বৈঠকত আলোচনা কৰা হয়। বৈঠকত ডাঃ পেগুৱে মন্ত্ৰীগোটে জনোৱা অনুমোদনৰ উপৰি ইতিমধ্যে তালিকাভুক্ত অনুসূচীত জনজাতিৰ স্বাৰ্থ আৰু অধিকাৰ সুৰক্ষিত ৰক্ষাৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ সন্দৰ্ভত বিতংভাৱে ব্যাখ্যা কৰে। তেওঁ সমন্বয়ৰক্ষী সমিতিক মন্ত্ৰীগোটৰ প্ৰতিবেদনৰ পঞ্চম আৰু ষষ্ঠ দুয়োটা অধ্যায় পৃথকে পৃথকে পঢ়াৰ পৰিৱৰ্তে সমন্বিতৰূপত পঢ়িবলৈ আহ্বান জনায়। সমিতিখনে এই সন্দৰ্ভত নিজাববীয়াকৈ এটা বিশেষজ্ঞ গোট গঠন কৰি এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব বুলি অৱগত কৰে। সমিতিৰ মুখ্য সমন্বয়ক আদিত্য খাখলাৰী আৰু এবছুৰ সভাপতি দীপেন বড়োৱে এই প্ৰতিবেদন সন্দৰ্ভত কিছু পৰামৰ্শ আৰু আপত্তিও দাখিল কৰে। পাছত সাংবাদিকৰ আগত সমিতিৰ মুখ্য সমন্বয়ক আদিত্য খাখলাৰীয়ে এইদৰে কয়-**বাইট (আদিত্য খাখলাৰী)**

ooooooo

চৰাইদেউ জিলা আয়ুক্ত কাৰ্যালয়ত জিলাখনৰ বিভিন্ন উন্নয়নমূলক আৰু জনকল্যাণমূলক আঁচনিৰ ৰূপায়ণৰ অগ্ৰগতি সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অসম চৰকাৰৰ পৰিবহণ, পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী তথা মাহমৰা বিধানসভা সমষ্টিৰ বিধায়ক যোগেন মহন, চৰাইদেউ জিলাৰ আয়ুক্ত ডঃ নেহা যাদৱ আৰু সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰকে ধৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। বৈঠকত চাহ বাগিচাৰ যুৱক-যুৱতীসকলৰ মাজত আয়োজিত মুখ্যমন্ত্ৰীৰ চাহ জনজাতি ফুটবল টুৰ্নামেণ্টৰ সফল ৰূপায়ণৰ বাবে প্ৰয়োজনীয় সকলো দিশ পৰ্যালোচনা কৰা হয়। মন্ত্ৰী মহনে এই ক্ষেত্ৰত জিলা প্ৰশাসনক সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ লগতে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ বৰ্তমানৰ স্থিতি সন্দৰ্ভত আলোচনা কৰা হয়। যোগ্য হিতাধিকাৰীসকলে যাতে অৰুণোদয়ৰ সুবিধা লাভ কৰিব পাৰে সেই বিষয়েও বৈঠকত গুৰুত্ব আৰোপ কৰা হয়।

ooooooo

আঘোণ মাহৰ পূৰ্ণিমা তিথি উপলক্ষে আজি নামনি অসমৰ বিভিন্ন ঠাইৰ লগতে বাক্সা জিলাতো মহোহো বা মহ খেদা উৎসৱ পালন কৰা হয়। সন্ধিয়া চেমনীয়া ল'ৰা আৰু যুৱকসকলে বাক্সা জিলাৰ বিভিন্ন গাঁৱৰ লোকসকলৰ ঘৰে ঘৰে মহ খেদা গীত গাই গাই মহোহো উৎসৱ পালন কৰে। গৃহস্থৰ মংগল কামনাৰে মহ খেদা গীত গাই গাই আশীৰ্বাদ প্ৰদান কৰাটো আৰু গৃহস্থৰ পৰা সামান্য পৰিমাণৰ চাউল বা ধন গ্ৰহণ কৰাটো এই উৎসৱৰ পৰম্পৰাগত ৰীতি। জনশ্ৰুতি মতে অসমীয়া ভাষাৰ **মহ** আৰু বড়ো ভাষাৰ **হো**সকলৰ মিশ্ৰিত ৰূপত মহোহো শব্দ সৃষ্টি হৈছে। লোক বিশ্বাস মতে মহ খেদাৰ পাছৰ লাহে লাহে

মহবোৰ কমি যায়। নামনি অসমৰ বিশেষকৈ কামৰূপ,  নলবাৰী, বৰপেটা, দৰং, বাক্সা, গোৱালপাৰা জিলাত এই উৎসৱৰ প্ৰচলন দেখা যায়।

০০০০০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত ভাৰতীয় বন সেৱা বিষয়াৰ **জনসাধাৰণৰ জীৱিকাত বাঁহ সম্পদৰ ভূমিকা** শীৰ্ষক এটা পাঁচ দিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণি পৰে। ভাৰত চৰকাৰৰ পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ অৰ্থ সাহায্যত অনুষ্ঠিত এই প্ৰশিক্ষণ কাৰ্যসূচীত দেশৰ ১৩ খন ৰাজ্যৰ ১৫ গৰাকী উচ্চ পদস্থ বন বিষয়াই অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত বাঁহৰ পুলি বাগান, বাঁহৰ খেতি, বাঁহৰ প্ৰয়োগ, জনজাতীয় সমাজত বাঁহৰ ব্যৱহাৰ আদি সকলো দিশ সামৰি সমল ব্যক্তিসকলৰ দ্বাৰা অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ দিয়া হয়।

০০০০০০০

ধুবুৰী ইউকো বেংকৰ গ্ৰামীন স্বনিয়োজন প্ৰতিষ্ঠানৰ উদ্যোগত আজিৰে পৰা ১৪ দিনীয়াকৈ গহণা প্ৰস্তুতকৰণ আৰু ৩১ দিনীয়া  চিলাই প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। প্ৰতিষ্ঠানটোৱে ধুবুৰীৰ কমেও ৬০ গৰাকী মহিলাক বাচনি কৰি এই প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। কেইবাগৰাকীও সমল ব্যক্তিয়ে এই কাৰ্যসূচীত প্ৰশিক্ষণ প্ৰদান কৰিছে।

০০০০০০০

মাজুলীত আজি মাজুলী জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত **মেক-ইন আছাম প্ৰমোচন** উদ্যোগৰ অংশ হিচাপে এখন কৰ্মশালা অনুষ্ঠিত হয়। ভাৰত চৰকাৰৰ বিশ্ববেংকৰ কেন্দ্ৰীয় আঁচনিৰ অধীনত কাৰিকৰী বিশেষজ্ঞৰ দ্বাৰা আয়োজন কৰা **হেণ্ডলুম এণ্ড হেণ্ডিক্ৰাফ্ট ছেক্টৰ ৰাইজিং এণ্ড এচিলাৰেটিং এম এছ এম ই পাৰ্ৰ্ফমেন্‌ছ** শীৰ্ষক এই কৰ্মশালাত পদ্মশ্ৰী সন্মানেৰে সন্মানিত হেমচন্দ্ৰ গোস্বামী উপস্থিত থাকে। বিধয়াক ভূবন গামে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি এইধৰণৰ কৰ্মশালাই স্থানীয় শিল্পী আৰু উদ্যোগীসকলৰ সক্ষমতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে।

০০০০০০০

যোৰহাট জিলাৰ মৰিয়নিৰ সমীপৰ নকচাৰীত আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্যসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোকজন হানিফ আলী বুলি আমাৰ যোৰহাটৰ সংবাদদাতাই জনাইছে। এই লোকজনৰ ঘৰৰ পৰা আৰক্ষীয়ে ২৭২ গ্ৰাম ওজনৰ ৪০৪ টা টেবলেট উদ্ধাৰ কৰে।

০০০০০০০

সদ্য সমাপ্ত প্ৰথম দৃষ্টিহীন মহিলা টি-২০ ক্ৰিকেটৰ চেম্পিয়ন ভাৰতীয় দলৰ অন্যতম সদস্য তথা অসম জীয়ৰী চিমু দাস আজি গুৱাহাটীত উপস্থিত হয়। বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত খেলুৱৈগৰাকী উপস্থিত হোৱাৰ পাছতে গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত এটা সম্বৰ্ধনা অনুষ্ঠানত তেওঁ অংশগ্ৰহণ কৰে। অনুষ্ঠানত গুৱাহাটী প্ৰেছ ক্লাব, প্ৰতিবন্ধি সুৰক্ষা সংস্থা অসম, সদৌ অসম দৃষ্টিহীন ক্ৰীড়া সন্থা আদি বিভিন্ন দল-সংগঠনে খেলুৱৈগৰাকীক সম্বৰ্ধনা জনায়। এই সম্বৰ্ধনা গ্ৰহণ কৰি চিমু দাসে তেওঁৰ সংঘৰ্ষময় জীৱন আৰু সফলতাৰ বিষয়ে উপস্থিত সকলোৰে আগত ব্যক্ত কৰে।

০০০০০০০

**ঃঃ সমাপ্ত ঃঃ**